# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 23-10-2024
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - - -**

ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলৰ নিৰ্বাচনী তৎপৰতা ক্ৰমাৎ বৃদ্ধি পাইছে। বিহালী সমষ্টিত ভাৰতীয় জনতা পাৰ্টি প্ৰক্ষেপিত প্ৰাৰ্থী দিগন্ত ঘাটোৱাৰে বিশ্বনাথ জিলা আয়ুক্ত কাৰ্যালয়ত আজি মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন পত্ৰ দাখিলৰ সময়ত মন্ত্ৰী পীযুষ হাজৰিকা, ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাৰ লগতে ভালেকেইজন সাংসদ আৰু বিধায়ক উপস্থিত থাকে। এই উপলক্ষে বিজেপিৰ এটা জনসমাৱেশত মন্ত্ৰী শ্ৰী হাজৰিকাই ৰাইজক বিজেপিৰ প্ৰাৰ্থীগৰাকীক বিপুল সংখ্যক ভোটত জয়যুক্ত কৰিবলৈ আহ্বান জনায়। ধলাই সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী নিহাৰৰঞ্জন দাসে কাইলৈ আৰু চামগুৰি সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাই পৰহিলৈ মনোনয়ন পত্ৰ দাখিল কৰিব।

ইফালে, বিহালী বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে সন্মিলিত মৰ্চাৰ প্ৰাৰ্থী প্ৰদানক লৈ হোৱা মতানৈক্যৰ বাবে কংগ্ৰেছৰ ৰাজ্যিক সভাপতি ভূপেন বৰাই অসম সন্মিলিত মৰ্চাৰ সভাপতি পদৰ পৰা আজি পদত্যাগ কৰিছে।

কংগ্ৰেছে চিদলী বিধানসভা সমষ্টিৰ কাৰণে প্ৰক্ষেপ কৰা প্ৰাৰ্থী সঞ্জীৱ ওৱাৰিয়ে আজি মনোনয়ন পত্ৰ দাখিল কৰে। ইয়াৰ পূৰ্বে কাজলগাঁৱৰ বৈসুন গাঁৱত আজি অসম প্ৰদেশ কংগ্ৰেছৰ কাৰ্যকাৰী সভাপতি জাকিৰ হুছেইন শিকদাৰৰ উপস্থিতিত কংগ্ৰেছ প্ৰাৰ্থীগৰাকীৰ সমৰ্থনত এখন সভা অনুষ্ঠিত হয়। উল্লেখযোগ্য যে সমষ্টিটোত উপ-নিৰ্বাচনত প্ৰতিনিধিত্ব কৰিবৰ বাবে ইতিমধ্যে ৭ জন লোকে মনোনয়ন পত্ৰ দাখিল কৰিছে।

ooooo

ব্ৰহ্মপুত্ৰৰ জলস্তৰ অভাৱনীয়ভাৱে হ্ৰাস পোৱাৰ লগতে নতুনকৈ বালিচৰ পৰাৰ বাবে নিয়মীয়া ফেৰী সেৱা বন্ধ হৈ পৰাত কমলাবাৰী নিমাতীঘাট সংযোগী জলপথৰ শেহতীয়া অৱস্থাৰ বুজ ল'বলৈ পৰিবহণ মন্ত্ৰী কেশৱ মহন্তই আজি নিমাতীঘাট আৰু কমলাবাৰী পাৰঘাট পৰিদৰ্শন কৰে। পৰিদৰ্শন কালত মন্ত্ৰী শ্ৰী মহন্তই কমলাবাৰী ঘাটৰ পৰা ফেৰী চলাচল পুনৰ আৰম্ভ কৰিবলৈ জল পৰিবহণ বিভাগে নদীৰ মাজৰ বালিচৰত খনন কাৰ্য আৰম্ভ কৰিব বুলি ব্যক্ত কৰে। মন্ত্ৰীগৰাকীয়ে বিধায়ক ভূবন গাম আৰু জিলা আয়ুক্তৰ উপস্থিতিত নদীখনৰ বাম হৈ পৰা বালিচৰসমূহৰ গতি-প্ৰকৃতিৰ বুজ লয়। ইয়াৰ লগতে খৰালি ব্ৰহ্মপুত্ৰৰ মাজৰ মূল সুঁতিৰ এটা সৰু অংশত বালি পৰি গঠন হোৱা বালিচৰতো জল পৰিবহণ বিভাগে খনন আৰম্ভ কৰিছে বুলি তেওঁ জানিবলৈ দিয়ে। মাজুলীৰ সমাগত ৰাস আৰু পালনামৰ পৰিপ্ৰেক্ষিতত তাৎক্ষণিকভাৱে ফেৰী চলাচল আৰম্ভ কৰিবলৈ চেষ্টা কৰা হৈছে বুলি শ্ৰী মহন্তই সাংবাদিকৰ আগত জানিবলৈ দিয়ে। তদুপৰি পাৰঘাটসমূহত বিকল হৈ থকা জাহাজসমূহৰো বিভাগে তথ্য সংগ্ৰহ কৰি বিকল্পৰ ব্যৱস্থা কৰিব বুলি তেওঁ অৱগত কৰে।

**(বাইট)**

ooooo

চৰাইদেউ জিলাত অহা ২৭ অক্টোবৰত চতুৰ্থ বৰ্গৰ পদৰ বাবে অনুষ্ঠিতব্য অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ প্ৰক্ৰিয়া স্বচ্ছ, নিকা, শান্তিপূৰ্ণ আৰু ত্ৰুটিহীনভাৱে অনুষ্ঠিত কৰিবলৈ জিলা প্ৰশাসনে যাৱতীয় প্ৰস্তুতিমূলক পদক্ষেপ গ্ৰহণ কৰিছে। এই সন্দৰ্ভত আজি জিলা আয়ুক্তৰ কাৰ্যালয়ত পৰীক্ষা প্ৰক্ৰিয়া পৰিচালনাৰ লগত জড়িত বিষয়াসকল আৰু পৰ্যবেক্ষণ বিষয়াসকলৰ এটা বিস্তৃত প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। প্ৰশিক্ষণ কাৰ্যসূচীত জিলা আয়ুক্তই পৰীক্ষা পৰিচালনাৰ দায়িত্বত নিয়োজিত বিষয়াসকলৰ নিজৰ দায়িত্ব সম্পৰ্কে পুংখানুপুংখ জ্ঞান থকাটো অপৰিহাৰ্য বুলি মন্তব্য কৰে। তেওঁ লগতে পৰীক্ষা প্ৰক্ৰিয়া পৰিচালনা কৰাৰ ক্ষেত্ৰত কোনোধৰণৰ গাফিলতি সহ্য কৰা নহ'ব বুলিও কয়। জিলা আয়ুক্তগৰাকীয়ে পৰীক্ষাৰ পৰিপ্ৰেক্ষিতত জিলাখনত দেওবৰীয়া বজাৰসমূহ বন্ধ ঘোষণা কৰে। ইয়াৰ লগতে পৰীক্ষা কেন্দ্ৰৰ ভিতৰত নিষিদ্ধ সামগ্ৰীসমূহৰ জাননী প্ৰকাশ কৰি পৰীক্ষাৰ্থীসকলক অৱগত কৰিবলৈও নিৰ্দেশ দিয়ে। সংকীৰ্ণ বাট-পথত যান-জঁট তথা জনসমাগম নিয়ন্ত্ৰণ কৰিবলৈ যান-বাহন আৰক্ষীক আয়ুক্তগৰাকীয়ে নিৰ্দেশ দিয়ে।

ooooo

তিনিচুকীয়া জিলাৰ বাৰেকুৰিত আজিৰে পৰা দুদিনীয়াকৈ বিশ্ব হলৌ দিৱসৰ আয়োজন কৰা হৈছে। অসম চৰকাৰৰ সৌজন্যত তথা বাৰেকুৰিৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সহযোগত আয়োজিত এই দিৱসৰ সৈতে সংগতি ৰাখি বিভিন্ন নৃত্য-গীত, কুইজ, চিত্ৰাংকন, শ্লʼগান লিখন আদি প্ৰতিযোগিতা অনুষ্ঠিত হয়। আজি পৰিৱেশ হলৌ বান্দৰ সংৰক্ষণ আৰু বাৰেকুৰিত গ্ৰাম্য পৰ্যটনৰ সম্ভাৱনা শীৰ্ষক আলোচনাচক্ৰ অনুষ্ঠিত হয়। এই আলোচনাত কেইবাগৰাকীও পৰিৱেশ কৰ্মীয়ে নিজৰ মত প্ৰকাশ কৰে। এই দিৱস উপলক্ষে কাইলৈও বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হʼব। উল্লেখযোগ্য যে পৰ্যটনৰ ক্ষেত্ৰ হিচাপে বাৰেকুৰি হলৌ বান্দৰৰ বাবে প্ৰখ্যাত হৈ পৰিছে।

ooooo

সমাপ্ত